3 (Sem–4/CBCS) ASM HG /RC

Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist. Kamrup

# 2024

# ASSAMESE

## ( Honours Generic/Regular Course )

Paper : ASM HG/RC–4016

**( Adhunik Asomiya Giti Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) 'গীতাৱলী' নামৰ গীতৰ পুথিখনৰ ৰচক কোন?

(খ) দ্বীজেন্দ্ৰ মোহন শৰ্মাৰ অধিক সংখ্যক গীততেই কণ্ঠদান কৰা শিল্পীগৰাকীৰ নাম কি?

(গ) 'ৰূপকোঁৱৰ' বুলি কোনজন ব্যক্তিক অভিহিত কৰা হয়?

(ঘ) নৱকান্ত বৰুৱাৰ 'নিয়ৰৰে ফুল' গীতটিত পোনপ্ৰথমে কোনগৰাকী শিল্পীয়ে কণ্ঠ নিগৰাইছিল?

(ঙ) ৰুদ্ৰ বৰুৱাৰ মৰণোত্তৰভাৱে প্ৰকাশিত গীতৰ পুথিখনৰ নাম লিখা।

(চ) পাৰ্বতীপ্ৰসাদ বৰুৱা অসমীয়া সংগীত জগতত কি নামেৰে পৰিচিত ?

(ছ) 'কাউৰী পৰে' গীতটিত নায়কজনৰ পত্নীগৰাকীৰ নাম কি আছিল ?

(জ) 'অ' অসমীয়া ডেকাদল' গীতটিত গীতিকাৰে অসমৰ কোনজন ব্যক্তিৰ অৱদানৰ কথা উল্লেখ কৰিছে ?

(ঝ) 'হেৰা আমাৰ জন্মভূমি' গীতটিত ধেমালিৰ মাজেদি গীতিকাৰে কি ভাৱ প্ৰকাশ কৰিছে ?

(ঞ) 'সন্ধিয়াৰ আকাশত বগলী উৰে' গীতটিত পোনপ্ৰথমে কোনে কণ্ঠদান কৰিছিল ?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'লুইত কোঁৱৰ' বুলিলে কোনজন গীতিকাৰক বুজা যায় ? তেওঁৰ দ্বাৰা অভিনীত এখন বোলছবিৰ নাম উল্লেখ কৰা।

(খ) কেশৱ মহন্তই ৰচনা কৰা দুখন গীতৰ পুথিৰ নাম লিখা।

(গ) অসমীয়া আধুনিক গীতৰ প্ৰথম গ্ৰন্থখনৰ নাম কি ? গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল ?

(ঘ) 'তোমাৰ বাবেই আছোঁ বাট চাই' গীতটিত গীতিকাৰে উল্লেখ কৰা দুবিধ ফুলৰ নাম লিখা।

(ঙ) তফজ্জুল আলিয়ে সংগীত পৰিচালনা কৰা দুখন অসমীয়া বোলছবিৰ নাম লিখা।





৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) আধুনিক অসমীয়া সংগীতলৈ লক্ষ্মীৰাম বৰুৱাৰ অৱদান

(খ) ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ

(গ) জ্যোতি সংগীতৰ সুৰৰ বিশেষত্ব

(ঘ) কেশৱ মহন্তৰ গীতত চহা-জনজীৱন

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ গীতত স্বদেশ-বন্দনা

(চ) নিৰ্মল প্ৰভা বৰদলৈৰ গীতৰ বৈশিষ্ট্য

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া আধুনিক সংগীতৰ ইতিহাসত স্বদেশ প্ৰেমমূলক গীতসমূহৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

*অথবা*

অসমীয়া আধুনিক সংগীতৰ ইতিহাসৰ এক সম্যক ধাৰণা দিবলৈ যত্ন কৰা।

(খ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ বিষয়বস্তু সম্বন্ধে এটি নিবন্ধ লিখা।

*অথবা*

পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) 'হে দোলা হে দোলা' গীতটিৰ মাজেদি সমাজৰ সাধাৰণ শ্ৰমজীৱি শ্ৰেণীটোৰ জীৱন-সংগ্ৰামৰ কথা কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

*অথবা*

" 'হঞ্ৰেৱা জেতুকী বাই' গীতটিত সমাজ-বাস্তৱতাৰ এখন কৰুণ ছবি ফুটি উঠিছে।" মন্তব্যটো বিচাৰ কৰা।

(ঘ) 'মাহ-হালধিৰে নোৱালে ধুৱালে' গীতটিত অসমীয়া লোক-সংস্কৃতিৰ এখন ছবি কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

*অথবা*

'সন্ধিয়াৰ আকাশত বগলী উৰে' গীতটিত এগৰাকী নাৰীৰ মনৰ গভীৰ আৱেগ-অনুভূতি কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা।

* * *